**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

-----------------------------

১। নালান্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি অনুষ্ঠানত দিয়া ভাষণত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত জ্ঞানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে, শিক্ষাৰ বিশ্বজনীন সেঁতু হিচাপে পৰিচিত এই বিশ্ববিদ্যালয়ৰ পুনৰ উজ্জীৱিতকৰণৰ তেওঁলোক সাক্ষী আৰু এই কাৰ্যই অতীতকৈও সুদৃঢ়ভাৱে সম্পৰ্ক গঢ়িবলৈ সমৰ্থ হ'ব।

৩। ৰাজ্যত কেইবাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। কৰিমগঞ্জ জিলাত ভূমিস্খলনৰ ফলত একেটা পৰিয়ালৰে ৫ জন লোকৰ মৃত্যু হয়।

৪। অৰুণাচল প্ৰদেশত কাৰ্ছিংচা এলেকাত হঠাৎ অহা বানে ৪১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা উটুৱাই নিয়াৰ ফলত নিৰজুলিৰ পৰা বান্দেৰদেৱালৈ ৰাষ্ট্ৰীয় ঘাইপথছোৱা মেৰামতি নোহোৱা পৰ্যন্ত বন্ধ ঘোষণা কৰা হৈছে।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ২০৪৭ চনৰ ভিতৰত ভাৰতক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত জ্ঞানে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। ৰাজগীৰত সুষমা স্বৰাজ প্ৰেক্ষাগৃহত নালান্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি অনুষ্ঠানত সমবেত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সমাজক সম্বোধন কৰি দিয়া ভাষণত শ্ৰীমোদীয়ে কয় যে, দেশৰ জ্ঞান আৰু শিক্ষা ব্যৱস্থা অধিক শক্তিশালী কৰি তুলি ভাৰতক বিশ্বৰ মহাশক্তিধৰ দেশৰ স্থানলৈ উন্নীত কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীয়ে আজি নালন্দা বিশ্ববিদ্যালয়ৰ নৱনিৰ্মিত এই চৌহদ উদ্বোধন কৰে। তেওঁ কয় যে, নালন্দা বিশ্ববিদ্যালয় হৈছে সমগ্ৰ বিশ্বত আমাৰ পৰিচয় আৰু পৰম্পৰাক উজলাই তোলা এক মহান নিদৰ্শন। তেওঁ কয় যে, নালন্দা বিশ্ববিদ্যালয়ক নতুন ৰূপত পুনৰ উজ্জীৱিতকৰণে ইয়াৰ দক্ষতাকে প্ৰকাশ কৰা উপৰি বিকশিত ভাৰতৰ ধাৰণাই প্ৰদৰ্শন কৰিছে। শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে আমাৰ প্ৰাচীন পৰম্পৰাসমূহৰ মূল তত্বৰ ওপৰত ভিত্তি কৰি কাম কৰি আছে আৰু উন্নয়নৰ লগতে পৰিৱেশ সংৰক্ষণৰ দিশতো একেলগে কামকাজ অব্যাহত ৰাখিছে।

অনুষ্ঠানত ভাষণ দি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয় যে, শিক্ষাৰ বিশ্বজনীন সেঁতু হিচাপে পৰিচিত এই বিশ্ববিদ্যালয়ৰ পুনৰ উজ্জীৱিতকৰণৰ তেওঁলোক সাক্ষী আৰু এই কাৰ্যই অতীতকৈও

সুদৃঢ়ভাৱে সম্পৰ্ক গঢ়িবলৈ সমৰ্থ হ'ব। আন্তঃৰাষ্ট্ৰীয় বুজাবুজি আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষা, প্ৰশিক্ষণ আৰু দক্ষতা বৃদ্ধিয়ে এটা ফলপ্ৰসূ হিচাপে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও তেওঁ কয়।

প্ৰধানমন্ত্ৰীয়ে লগতে বিশ্ব ঐতিহ্য নালান্দা বিশ্ববিদ্যালয়ৰ প্ৰাচীন ভগ্নাসাৱশেষ পৰিদৰ্শন কৰে। এই ভগ্নাৱশেষৰ নৱনিৰ্মিত বিশ্ববিদ্যালয়ৰ সৈতে গভীৰ সম্পৰ্ক আছে। ভাৰত আৰু পূব এছিয়াৰ শীৰ্ষ সন্মিলন ৰাষ্ট্ৰৰ মাজৰ যৌথ সহযোগিতাৰ অংশ হিচাপে নালান্দা বিশ্ববিদ্যালয়ক কল্পনা কৰা হৈছে। নতুন চৌহদৰ উদ্বোধনী অনুষ্ঠানত বিহাৰৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰ, মুখ্যমন্ত্ৰী নীতিশ কুমাৰ, বিদেশ মন্ত্ৰী ড০ এছ্, জয়শংকৰ আৰু ১৭খন দেশৰ মিছন মুৰববী সহ ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৪৫০ একৰৰো অধিক ভূমি সামৰি থকা বিশ্ববিদ্যালয় সকলো ধৰণৰ অত্যাধুনিক আন্তঃগাঁথনিৰে সুসজ্জিত। পৰিবেশ সংৰক্ষণৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি চৌহদটো শূন্য সেউজ গৃহ গেছ নিৰ্গমন অট্টালিকা হিচাপে নিৰ্মাণ কৰা হৈছে। সৌৰ প্ৰকল্প, খোৱাপানী পৰিশোধন প্ৰকল্প আৰু ব্যৱহৃত পানী পুনৰব্যৱহাৰ্য প্ৰকল্পৰে সুসজ্জিত এই চৌহদটো আৱশ্যকীয় শক্তি আৰু অন্য চাহিদাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হ'ব। চৌহদটোৰ ১০০ একৰ ভূমিত কেইবাটাও জল নিকায় আৰু অন্য পৰিবেশ অনুকূল সুবিধা গঢ়ি তোলা হৈছে। বিশ্ববিদ্যালয়খনত ২০১৪ চনত শিক্ষাৰ্থীৰ প্ৰথমটো গোটৰ নামভৰ্তি কৰা হৈছিল আৰু ৰাজগীৰৰ অস্থায়ী চৌহদত পাঠদান আৰম্ভ হৈছিল। সম্প্ৰতি বিশ্ববিদ্যালয়খনত ৬টা প্ৰতিষ্ঠান আছে। ইয়াৰ ভিতৰত ইতিহাস অধ্যয়ন প্ৰতিস্থান, পৰিবেশ অধ্যয়ন প্ৰতিষ্ঠান আৰু বৌদ্ধ দৰ্শন, দৰ্শন শাস্ত্ৰ আৰু তুলনাত্মক ধৰ্ম অধ্যয়ন প্ৰতিষ্ঠান অন্যতম। বিশ্ব শান্তিৰ প্ৰসাৰ আৰু ভগৱান বুদ্ধৰ দৰ্শনৰ গৱেষণাৰ বাবে বিশ্ববিদ্যালয়খনে আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু শান্তি অধ্যয়ন প্ৰতিষ্ঠান স্থাপন কৰিছে। প্ৰাচীন আৱাসিক নালান্দা বিশ্ববিদ্যালয়ৰ আৰ্হি অনুসৰি বিশ্ববিদ্যালয়খনত ৫০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰাবাসৰ ব্যৱস্থা কৰা হৈছে। বিশ্ববিদ্যালয় চৌহদত দুটা শৈক্ষিক খণ্ড আছে। এই খণ্ড দুটাত মুঠ ৪০টা শ্ৰেণীকোঠা আছে। এই শ্ৰেণীকোঠাসমূহত প্ৰায় এহেজাৰ ৯০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষা গ্ৰহণৰ সুবিধা আছে।

০০০০০০০

অসমত কেইবাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত বান পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যৰ ১৫ খন জিলাৰ কমেও ৪৭০ খন গাওঁ বানৰ কবলত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণৰ শেহতীয়া তথ্য অনুসৰি বিশ্বনাথ, লখিমপুৰ, হোজাই, বঙাইগাঁও, নলবাৰী, তামুলপুৰ, ওদালগুৰি, দৰং, ধেমাজি, হাইলাকান্দি, কৰিমগঞ্জ, গোৱালপাৰা, নগাঁও, চিৰাং আৰু কোকৰাঝাৰ জিলা বানত ক্ষতিগ্ৰস্ত হৈছে। এই বানত ১ লাখ ৬০ হাজাৰতকৈও অধিক লোক প্ৰভাৱিত হোৱাৰ লগতে ১৫ খন জিলাত স্থাপন কৰা ৪৩ টা আশ্ৰয় শিবিৰত ৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। জিলা প্ৰশাসনসমূহে প্ৰায় ১৮ হাজাৰ লোকৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰিছে। ইপিনে, ৰাজ্যখনত কালি পুনৰ এজন লোকে বানৰ ফলত প্ৰাণ হেৰুৱাত শেহতীয়া বানত মৃত্যু হোৱা লোকৰ সংখ্যা ২৬ লৈ বৃদ্ধি হৈছে।

ইফালে কৰিমগঞ্জ জিলাত ইংলাৰ বজাৰৰ সমীপৰ বেন্দাৰগুল গাঁৱত হোৱা ভূমিস্থলনৰ ফলত একেটা পৰিয়ালৰে ৫ জন লোকৰ মৃত্যু হয়। নিশা প্ৰায় চাৰে ১২ বজাত হোৱা এই ভূমিস্খলনত প্ৰাণ হেৰুৱা লোককেইজনক ৰহিমুন নেছা, চাহিদা খানম, জাহিদা খানম, হামিদা খানম আৰু মেহেদি হাছন বুলি চিনাক্ত কৰা হৈছে। ভূমিস্খলনৰ বাতৰি পোৱাৰ লগে লগে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু আপদা মিত্ৰ দলৰ সদস্যসকলে ঘটনাস্থলিলৈ গৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে।

০০০০০০০

বিগত কেইবাদিনো ধৰি অৰুণাচল প্ৰদেশত নেৰানেপেৰাকৈ প্ৰবল বৰষুণ অব্যাহত আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজ্যখনৰ পূব কামেং, পাপুমপাৰে আৰু ল'ৱাৰ দিবাং ভেলী জিলাত ৰেড এলাৰ্ট জাৰি কৰিছে। একেদৰে ৯ খন জিলাত অৰেঞ্জ এলাৰ্ট আৰু বাকী জিলা কেইখনত য়েল্ল' এলাৰ্ট জাৰি কৰা হৈছে। কাৰছিংছা এলেকাত হঠাৎ অহা বানে ৪১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এছোৱা উটুৱাই নিয়ে। ইয়াৰ ফলত নিৰজুলি বান্দেৰদেৱা অঞ্চলৰ লগতে ঘাইপথছোৱাৰে যান বাহনৰ চলাচল সম্পূৰ্ণৰূপে বাধাগ্ৰস্ত হৈছে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইটানগৰ ৰাজধানী জিলা প্ৰশাসনে নিৰজুলিৰ পৰা বান্দেৰদেৱালৈ ৰাষ্ট্ৰীয় ঘাইপথছোৱাত বন্ধ ঘোষণা কৰিছে। ইয়াৰ লগতে ৰাস্তাটো মেৰামতি সম্পূৰ্ণ নোহোৱালৈকে গুমটো হৈ যান বাহনৰ গতিপথ সলনি কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে  নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী  একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এ আই আৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটি প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

দিল্লীত জলসংকট অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত মহানগৰখনৰ জনসাধাৰণে পানী বিতৰণ কেন্দ্ৰসমূহত গোট খাইছে। ৰাজধানী নগৰখনৰ বাসিন্দাসকলে পানী বিতৰণ কেন্দ্ৰসমূহৰ পৰা প্লাষ্টিকৰ যতন আৰু বাল্টিৰে পানী সংগ্ৰহৰ বাবে গোট খোৱা দেখা গৈছে। দিল্লী মহানগৰৰ বিভিন্ন এলেকা যেনে - সংগম বিহাৰ, মেহৰুলি, বসন্ত বিহাৰ, ওখলা, বসন্তকুঞ্জ, চাণক্যপুৰী, নাৰেলা, ৰোহিনী, উত্তম নগৰ, জনকপুৰী, বিকাশপুৰী, মতিনগৰ, পেটেল নগৰ, চাটাৰপুৰ, বাৱৰাল নগৰ, মুখাৰ্জী নগৰ, গীতা ক'লনি, কৃষ্ণা নগৰ আৰু শ্বাহদাৰা এলেকাত ব্যাপক জলসংকটে দেখা দিছে। এনে পৰিস্থিতিত মহানগৰখনত প্ৰতিবাদ, ধ্বংসাত্মক ঘটনা  আৰু ৰাজনৈতিক সংঘাতৰ সূচনা হৈছে।

এন ডি এম চি এলেকাতো পানীৰ তীব্ৰ নাটনি হৈছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপথন এন ডি এম চিৰ উপ-সঞ্চালক সতীশ উপাধ্যায়ে দিল্লী চৰকাৰক টেংকাৰ মাফিয়া, টেণ্ডাৰ মাফিয়া আৰু দুৰ্নীতিগ্ৰস্ত লোকসকলৰ সৈতে মিতিৰালি কৰে বুলি অভিযোগ কৰে। তেওঁ জনসাধাৰণ আৰু সংস্থাসমূহক বিবেচনামৰ্মে পানী খৰচ কৰিবলৈ আহ্বান জনায়।

অন্যহাতে দিল্লী চৰকাৰে দিল্লী পানীৰ নাটনি প্ৰসংগত হাৰিয়ানাৰ বিজেপি চৰকাৰ ৰাজনৈতিক ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। কালি সংবাদ মাধ্যমক সম্বোধন কৰি আম আদমী পাৰ্টিৰ নেতা গোপাল ৰায়ে

কৈছে যে, ৰাজিৰাবাদ নৈখন শুকাই গৈছে। তেওঁ অভিযোগ কৰে যে, উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ স্বত্বেও হাৰিয়ানাত বিজেপি চৰকাৰে দিল্লীৰ পানীৰ অংশভাগ জব্দ কৰি ৰাখি থৈছে।

০০০০০০০

কাইলৈ অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ দশম সংস্কৰণ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সামাজিক মাধ্যমযোগে শশাংকাসনৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা এটা ভিডিঅ' প্ৰচাৰ কৰিছে। ভিডিঅ'টোৰ জৰিয়তে এই আসনৰ উপকাৰিতা সম্পৰ্কে বৰ্ণনা কৰাৰ লগতে কি দৰে এই যোগাসন কৰিব লাগে সেই সম্পৰ্কে বিশদভাৱে বৰ্ণনা কৰা হৈছে। ভিডিঅ'টোত শশাংকাসনৰ জৰিয়তে কোষ্ঠকাঠিন্যৰ সমস্যা, পিঠিৰ বিষ আৰু ক্ৰোধ তথা দুচিন্তা আঁতৰ কৰাত সহায় হয় বুলি কোৱা হৈছে। আনহাতে উচ্চ ৰক্তচাপ আৰু আৰ্থ্ৰাইটিছত ভুগি থকা ৰোগীক এই আসন নকৰিবলৈ বা উপযুক্ত সতৰ্কতা অৱলম্বন কৰিহে ইয়াৰ অভ্যাস কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা হৈছে।

০০০০০০০

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ পূৰ্বে আজি নতুন দিল্লীত প্ৰাক্তন কংগ্ৰেছ নেত্ৰী কিৰণ চৌধুৰী আৰু তেওঁৰ জীয়ৰী শ্ৰুতি চৌধুৰীয়ে বিজেপি দলত যোগদান কৰে। তেওঁলোকে হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নায়াৱ সিং ছাইনী, সাংসদ মনোহৰ লাল খট্টৰ আৰু দলৰ অন্যান্য নেতাৰ উপস্থিতিত দলটোত যোগ দিয়ে। সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত কিৰণ চৌধুৰীয়ে হাৰিয়ানা আৰু তাৰ জনসাধাৰণৰ বাবে কল্যাণৰ বাবে কাম কৰিবলৈ তেওঁলোক প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰে।

০০০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব। এই পৰ্যায়ৰ আটাইকেইখন খেল ৱেষ্ট ইণ্ডিজত অনুষ্ঠিত হ'ব। ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আজি আমেৰিকা যুক্তৰাষ্ট্ৰ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। মুঠ আঠটা দলে ছুপাৰ এইট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। দলসমূহক দুটা ভাগত বিভক্ত কৰা হৈছে। ভাৰত, অষ্ট্ৰেলিয়া, বাংলাদেশ আৰু আফগানিস্তানক প্ৰথমটো গ্ৰুপত স্থান দিয়া হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, ৱেষ্ট ইণ্ডিজ আৰু দক্ষিণ আফ্ৰিকাক দ্বিতীয়টো গ্ৰুপত অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰতিটো গ্ৰুপৰ শীৰ্ষৰ দল দুটাই ছেমি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব। ছুপাৰ এইট পৰ্যায়ত প্ৰতিটো দলে তিনিখনকৈ খেল খেলিব আৰু ছেমি ফাইনেলত প্ৰৱেশৰ বাবে কমেও দুখন খেলত জয়ী হ'ব লাগিব। ছেমি ফাইনেলত বিজয়ী দল দুটাৰ মাজত ২৯ জুনত বাৰবাডোছত ফাইনেল খেল অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত